অধ্যায় ৪ ঃ উন্নয়ন গণসংযোগৰ বিভিন্ন কৌশল

অধ্যায়ৰ গাঁথনি

৪.১ শিক্ষণৰ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ইতিবাচক গণসংযোগ কৌশল
৪.৩.১ আইইচিএম(IECM)ৰ কৌশলসমূহ
৪.৩.২ উন্নয়নমূলক গণসংযোগৰ কৌশলসমূহ
৪.৪ গণসংযোগ কৌশলৰ গাঁথনি(framework)
৪.৪.১ উন্নয়নমূলক গণসংযোগৰ বাবে গণমাধ্যম আৰু সম্প্ৰসাৰণ পদ্ধতি
৪.৪.২ পৰিকল্পিত উন্নয়নমূলক গণসংযোগ
৪.৪.৩ ৰাজহুৱা আলোচনাৰ কৌশল
৪.৫ নেতিবাচক গণসংযোগ কৌশল
৪.৬ সামাজিক বিপণন
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অগ্ৰগতি খতিয়ান
৪.৯ অধিক জানিবলৈ
৪.১০ আৰ্হি প্ৰশ্ন

৪.১ শিক্ষণ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পিছত নিম্নোক্ত কথাবোৰ জানিব পৰা যাব:

* ইতিবাচক গণসংযোগৰ কৌশলসমূহৰ ব্যাখ্যা
* নেতিবাচক গণসংযোগৰ কৌশলৰ বিষয়ে আলোচনা কৰা
* উন্নয়নৰ প্ৰভাৱশালী আৰ্হিৰ (Dominant Paradigm) বিশ্লেষণ কৰা
* বিকল্প আৰ্হিৰ বৰ্ণনা কৰা

৪.২ পৰিচয়

এতিয়ালৈকে আপোনাৰ উন্নয়নমূলক গণসংযোগৰ ধাৰণা আৰু উন্নয়নমূলক গণসংযোগৰ বিভিন্ন তত্ত্বৰ সৈতে নিশ্চয়কৈ পৰিচয় হৈছে।

এই অধ্যাযত আপোনাৰ উন্নয়নমূলক গণসংযোগত ব্যৱহৃত বিভিন্ন ধৰণৰ কৌশলৰ সৈতে পৰিচয় কৰোৱা হ'ব। উন্নয়নমূলক গণসংযোগত মূলতঃ দুবিধ কৌশল আছে আৰু এই অধ্যায়ে সেইবোৰৰ বিষয়ে এক ধাৰণা আগবঢ়োৱা হ'ব।

পূৰ্বৰ অধ্যায়ত আমি ইতিমধ্যে উন্নয়নমূলক গণসংযোগ আৰু উন্নয়নৰ বিভিন্ন তত্ত্বৰ বিষয়ে আলোচনা কৰিছোঁ। এতিয়া উন্নয়নমূলক গণসংযোগত ব্যৱহৃত বিভিন্ন কৌশলৰপৰা আৰম্ভ কৰা যাওক।

৪.৩ ইতিবাচক গণসংযোগ কৌশল

ইতিবাচক আৰু ফলপ্রসূ গণসংযোগ হৈছে সফল জীৱনৰ এক মাপকাঠি যিয়ে তাৰ কর্মক্ষেত্র আৰু ঘৰ উভয় প্রভাৱৰ আওটা সামৰি লয়। লেখক আৰু পেছাদাৰী বক্তা ষ্টিভ কেয়েৰ মতে আমি ফলপ্রসূভাৱে গণসংযোগ স্থাপন কৰিবলৈ কৰিবলৈ তলত দিয়া কৌশলসমূহ ব্যৱহাৰ কৰিব পাৰো।

১) মানুহে মানুহক তেওঁলোকৰ কর্মৰ জৰিয়তে বিচাৰ কৰে। অর্থাৎ মানুহৰ কথা আৰু কর্মৰ দ্বাৰা সৃষ্টি হোৱা ধাৰণাসমূহৰ দ্বাৰা তেওঁলোকক বিচাৰ কৰা হয়। মানুহে এনেকুৱা কর্ম আৰু শব্দভাষা বাছি লয় য'ত তেওলোকে সৃষ্টি কৰিব বিচৰা প্রভাৱ পৰিস্ফুট হয়।

২) মানুহে নিজৰ উদ্দেশ্যৰ দ্বাৰা নিজকে বিচাৰ কৰে আৰু সেয়েহে আনজনৰ কর্ম বা শুদ্ধ আৰু উপযুক্তৰো বিচাৰ কৰে (ঠিক সেই আনজন ব্যক্তিয়েও বিচাৰ কৰাৰ দৰে)। আনকি যেতিয়া কাৰোবাৰ আচৰণ সম্পূর্ণ অর্থহীন যেনে লাগে, তেতিয়াও সেই ব্যক্তিজনে সম্ভৱতঃ ইয়াক ন্যায্য বুলি বিশ্বাস কৰে।

৩) সকলোৱে সৌজন্য আৰু সন্মানৰ যোগ্য। সংযোগ স্থাপনৰ বাবে ই সদায় সর্বোত্তম উপায়। যেতিয়া কোনো লোকে আনক সন্মান সহকাৰে ব্যৱহাৰ কৰে, তেতিয়া তেওঁক আনে কেনেকুৱা ব্যৱহাৰ কৰাটো বিচাৰে সেয়াও নির্ধাৰণ কৰে।

৪) সকলোৰে কোনো এক বিষয়ত নিজস্ব ধাৰণা থাকে। সকলোৱেই কোনোবা নহয় কোনোবা ক্ষেত্রত বিশেষজ্ঞ। সকলোৰে সুকীয়া প্রতিভা আছে। সফল নেতাই আন মানুহক তেওঁলোকৰ ধাৰণা প্রকাশ কৰাত পাৰদর্শিতা দেখুৱাবলৈ সহায় কৰে। তেওঁলোকে প্রশ্ন কৰাৰ লগতে উত্তৰ শুনিবলৈ আগ্রহ প্রকাশ কৰে।

৫) প্রশ্ন কৰি আৰু ইয়াৰ সমাধানৰ চেষ্টা কৰি আনজনৰ প্রয়োজন, অগ্রাধিকাৰ, পৰিস্থিতিৰ বিষয়ে সদায় অধিক জানিব পাৰিব বুলি উপলব্ধি কৰাটো জৰুৰী। (প্রবন্ধৰ উৎস: http: //www.simplysearch4it.com/article/11446.html) ষ্টিভ কেয়েৰ ওপৰৰ প্রবন্ধটোৱে আমাক ইতিবাচক গণসংযোগৰ সঠিক আৰু শুদ্ধ উপায় জানিবলৈ এটা পথৰ সন্ধান দিছে। পৰৱর্তী খণ্ডসমূহত ইয়াৰ বিভিন্ন কৌশলৰ বিষয়ে জনা যাব।

কিছুমান উল্লেখযোগ্য ইতিবাচক গণসংযোগৰ কৌশল হ'ল তথ্য, শিক্ষা, যোগাযোগ আৰু প্রেৰণা (IECM) কৌশল, ৰাজহুৱা আলোচনা আৰু আলোচনা কার্য্য কৌশল, সংবাদ মাধ্যম নিয়ন্ত্রণ, আদর্শ আৰু প্রদর্শন প্রভাৱ নৈতিকতা, যোগাযোগত নৈতিকতা আৰু অহিংসাৰ কৌশল।

৪.৩.১ আইইচিএম(IECM)ৰ কৌশলসমূহ

আই ই চি এম কৌশলসমূহ সাম্প্রতিক আৰু ঐতিহাসিক বিভিন্ন বিষয়ৰ বিষয়ে আৰু সজাগতা, তথ্য, জ্ঞান আৰু প্রেৰণা সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰা হয়। চৰকাৰে এই কৌশলসমূহ তেওঁলোকৰ দৃষ্টিভংগী সমূহৰ প্রসাৰ তথা নীতি আৰু মানুহৰ মাজত ইয়াৰ কার্যকৰীকৰণ কার্য্যকলাপৰ বিষয়ে জানিবলৈ ব্যৱহাৰ কৰে। সাধাৰণ মানুহে তেওঁলোকৰ কাৰণে গুৰুত্বপূর্ণ অথচ চৰকাৰে অৱহেলা কৰি আহিছে বুলি ভবা বিষয় সম্পর্কে চৰকাৰক সচেতন কৰিবলৈ এই কৌশলৰ ব্যৱহাৰ কৰে।

এইদৰে এই কৌশলটো উলম্বভাৱে ওপৰৰ পৰা তললৈ, আৰু অনুভূমিকভাৱে দুয়োধৰণৰ

যোগাযোগৰ বাবে ব্যৱহাৰ কৰিব পাৰি। অনুভূমিক কৌশল হিচাপে মানুহৰ পৰা মানুহলৈ, আৰু কর্তৃপক্ষৰ পৰা কর্তৃপক্ষলৈ ব্যৱহাৰ কৰাৰ সময়ত এইসমূহ প্রযোজ্য হয়। উলম্ব কৌশলসমূহ চৰকাৰী বা অন্য কর্তৃপক্ষৰ পৰা, আৰু মানুহৰ ওচৰ চাপিবলৈ ব্যৱহৃত হয়।

৪.৩.২ উন্নয়নমূলক গণসংযোগৰ কৌশলসমূহ

উন্নয়নমূলক গণসংযোগ কৌশলৰ কেন্দ্রবিন্দু হৈছে উন্নয়নৰ বিষয়ে জ্ঞান সৃষ্টি কৰা আৰু ইয়াক প্রসাৰ কৰা যাতে স্থানীয়, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় তিনিওটা স্তৰতে উন্নয়ন বিষয়ক পেছাদাৰী, ব্যৱহাৰকাৰী, নীতি নির্ধাৰক আৰু অন্যান্য অংশীদাৰসকলৰ মাজত ভাল ধাৰণা আৰু উত্তম পদ্ধতিৰ সুবিধা লাভ কৰিব পৰা যায়। স্থানীয় আৰু ৰাষ্ট্রীয় পর্যায়ত পদক্ষেপসমূহ চৰকাৰ, বহু উন্নয়নমূলক ক্ষেত্রত এন জি অ', আৰু সাধাৰণ মানুহৰ দ্বাৰা কার্যকৰী কৰিব পৰা যায়।

৪.৪ গণসংযোগ কৌশলৰ গাঁথনি(framework)

গণসংযোগ কৌশলৰ গাঁথনি (framework)ত গণসংযোগৰ প্রয়োজনীয়তা, গণসংযোগ সম্পদ, নীতি আৰু কার্য্যকৰী নীতিসমূহ অন্তর্ভুক্ত কৰা হৈছে। গণসংযোগ কৌশলসমূহ ক্ষেত্রভিত্তিক অভিজ্ঞতা আৰু কেন্দ্রীভূত কার্য্যকলাপৰ ক্ষেত্রসমূহৰ তাত্ত্বিক বিশ্লেষণৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হয়। সেই অনুসৰি গণসংযোগ কৌশলৰ প্রকৃতি, ৰূপ আৰু প্রকাৰ পৰিকল্পনা কৰা হয়।

চৰকাৰ আৰু জনসাধাৰণ উভয়ে তেওঁলোকৰ লক্ষ্য প্রেষকৰ সৈতে যোগাযোগ স্থাপন কৰিবলৈ বিভিন্ন গণসংযোগ কৌশল(পৰিকল্পিত) ব্যৱহাৰ কৰে। লক্ষ্য প্রেষকৰ জনগাঁথনি, অনুষ্ঠানটোৰ প্রকৃতি আৰু পৰিসৰ, মানুহৰ চাহিদা আৰু অসন্তুষ্টি তথা কার্যসূচীসমূহৰ প্রতি থকা উৎসাহ অনুসৰি এই কৌশলসমূহৰ পার্থক্য থাকিব। তদুপৰি, লক্ষ্য প্রেষকৰ ওচৰলৈ প্রেৰণ কৰা গণসংযোগ কৌশল আৰু কার্যসূচীসমূহ ফলপ্রসূ কৰিবলৈ হ'লে ওপৰত উল্লেখ কৰা মাত্রাসমূহ ভালদৰে পৰিচালনা কৰিব লাগিব। আমাৰ লৌকিক কার্য্যকলাপৰ সৈতেও জড়িত স্বতঃস্ফূর্ত (অপৰিকল্পিত) গণসংযোগ কৌশল আছে। এইবোৰ যিমানেই স্বতঃস্ফূর্ত নহওক কিয়, আমি যেতিয়া কথা বতৰা পাতো বা সংযোগ স্থাপন কৰো, তেতিয়াও আমি সচেতন বা অৱচেতন পর্যায়ত কাক আৰু কি ধৰণেৰে প্রভাৱান্বিত কৰি ক'ব বিচাৰো সেই বিষয়ে মনৰ ভিতৰত পৰিকল্পনা কৰোঁ।

উন্নয়নৰ কৌশলসমূহক অর্থনৈতিক আৰু সামাজিক উন্নয়নৰ সৈতে জড়িত কৰিব পাৰি। স্বাস্থ্যসেৱা, শিক্ষা, ভূমি সংস্কাৰ আৰু মানুহক সবলীকৰণৰ সৈতে এইবিলাক ওতঃপ্রোতভাৱে জড়িত। উন্নয়নশীল দেশসমূহে পশ্চিমীয়া দেশসমূহৰ পৰা এইক্ষেত্রত ক্রমাগত সহায়ৰ আশা কৰাৰ প্রয়োজন নাই বৰঞ্চ তেওঁলোকে নিজৰ জনশক্তি বিকাশ কৰি উন্নয়ন সাধন কৰাটো জৰুৰী। ইয়াৰ মূল কেন্দ্রবিন্দু হৈছে মানৱ সম্পদৰ বিকাশ। ই সামাজিক বঞ্চনাৰ বিপৰীতে সামাজিক সুযোগৰ সৃষ্টি কৰে। চহকী অর্থনীতিতো নিবনুৱা সমস্যাৰ ওপৰত গুৰুত্ব দিবলৈ উদ্যোগৰ অভাৱ পৰিলক্ষিত হয়। এই ক্ষেত্রত কিছু প্রয়াসৰ যোগেদি এনে শক্তিৰ সৃষ্টি কৰিব লাগিব যিয়ে উদাৰীকৰণ অর্থনীতিৰ সুবিধা সামাজিকভাৱে বঞ্চিত লোকসকলৰ মাজলৈ লৈ যায়।

বিভিন্ন ধৰণৰ উন্নয়নমূলক গণসংযোগ কৌশলৰ যোগেদি সাধন কৰিব কৰিব পৰা যায়। উন্নয়নমূলক গণসংযোগ পদ্ধতিসমূহে সম্প্রসাৰণ, প্রসাৰণ, গণমাধ্যম, উন্নয়নমূলক সমর্থন

গণসংযোগ, উন্নয়নমূলক গণসংযোগৰ বাবে পৰিকল্পনা কৌশল আৰু আলোচনা কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই পদ্ধতিসমূহে উন্নয়নমূলক প্ৰকল্পসমূহৰ বাবে ফলপ্ৰসূ গণসংযোগ কৌশল বিকশিত কৰা কাৰ্যসমূহ সহজ কৰি তোলে। উন্নয়ন কৌশলে প্ৰাসংগিক উন্নয়নমূলক গণসংযোগ কৌশল বিকশিত কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰে।

৪.৪.১ উন্নয়নমূলক গণসংযোগৰ বাবে গণমাধ্যম আৰু সম্প্ৰসাৰণ পদ্ধতি

উন্নয়নমূলক গণসংযোগৰ বাবে এটা সুনিৰ্দিষ্ট গণমাধ্যম আৰু আন্তঃব্যক্তিগত দৃষ্টিভংগীৰ আন্তঃগাঁথনি প্ৰয়োজনীয়। এই আন্তঃগাঁথনিসমূহ সামাজিক আৰু শাৰীৰিক দুয়োটা দিশতে মানুহৰ বাবে সুলভ হ'ব লাগে। বাৰ্তাসমূহ প্ৰয়োজনভিত্তিক হ'ব লাগে, মানুহক আকৰ্ষণ কৰিব পাৰিব লাগে, তেওঁলোকৰ বাবে প্ৰাসংগিক হ'ব লাগে, আৰু লগতে নিৰ্দিষ্ট লক্ষ্য প্ৰেষক -গ্ৰাম্য বা নগৰীয়া, নগৰীয়া বস্তি, ধনী আৰু দুখীয়া, শিক্ষিত আৰু নিৰক্ষৰ ইত্যাদিকো সামৰি লোৱা উচিত।

উন্নয়নমূলক গণসংযোগৰ বাবে স্থানীয়কৃত পদ্ধতিঃ গণসংযোগৰ গৱেষকযপণ্ডিতসকলে যুক্তি আগবঢ়ায় যে গণসংযোগে প্ৰদৰ্শনী প্ৰভাৱ উৎপন্ন কৰে আৰু ইয়াৰ পৰা আহৰিত তথ্যই নতুন পদ্ধতি আৰু বিকাশৰ চলকসমূহ উদ্দীপিত কৰে। আন কিছুমান গৱেষক পণ্ডিতৰ মতে যিকোনো ধৰণৰ সংবাদ মাধ্যমৰ বাৰ্তাৰ উপলব্ধতাই উদ্ভাৱনীমূলক পৰিৱৰ্তনৰ বাবে উপযোগী হোৱাৰ সম্ভাৱনাক নুবুজায়। প্ৰেৰণ কৰা তথ্যসমূহ স্থানীয় আৰু কাৰ্য্যকৰীভাৱে প্ৰাসংগিক হোৱাৰ লগতে আৰু দৰ্শকৰ আগত উপস্থাপন কৰা বিষয়বস্তুৰ আৰ্হিৰ সৈতে জড়িত কৰিব পৰা হ'ব লাগিব।

৪.৪.২ পৰিকল্পিত উন্নয়নমূলক গণসংযোগ

পৰিকল্পিত উন্নয়নমূলক গণসংযোগ কৌশল হৈছে নতুন ধাৰণা স্থানান্তৰৰ জৰিয়তে মানৱ মনোভাৱ আৰু আচৰণ সলনি কৰাৰ বাবে এক গণসংযোগ পৰিকল্পনা। ই ফলপ্ৰসূ গণসংযোগৰ বাবে এক প্ৰকাৰৰ প্ৰকাৰৰ পদ্ধতিগত গাঁথনি (framework)। ইয়াত চাৰিটা নিৰ্দিষ্ট ক্ৰিয়াৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

প্ৰথমে লক্ষ্য সম্প্ৰদায়ৰ প্ৰসংগভিত্তিক আৰু সমসাময়িক প্ৰয়োজনীয়তাসমূহ, নিৰ্দিষ্ট উন্নয়নমূলক প্ৰকল্পসমূহৰ সৈতে সম্পৰ্কিত হ'ব লাগিব। দ্বিতীয়তে, সম্প্ৰদায়ৰ ভিতৰত গণসংযোগৰ ধৰণ চিনাক্ত কৰিব লাগিব প্ৰতিটো সম্প্ৰদায়ৰ-নেটৱৰ্কত গণসংযোগৰ গতি চিনাক্ত উলম্ব, অনুভূমিক, বৃত্তাকাৰ বা বহুমুখী হ'ব পাৰে। সমাজত পৰিৱৰ্তনৰ সম্ভাব্য কাৰকবা কৰ্তা আৰু সিদ্ধান্ত গ্ৰহণকাৰীসকলক চিনাক্ত কৰিব লাগিব। ইয়াৰ ফলত সমাজৰ ভিতৰত আন্তঃব্যক্তিগত গণসংযোগৰ আৰ্হি গঢ়ি তোলাত সহায়ক হ'ব। সংবাদ মাধ্যমৰ উপলব্ধতা, সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা আৰু সংবাদ মাধ্যমৰ বহনক্ষমতা, সাক্ষৰতা আৰু জনসাধাৰণৰ দ্বাৰা সংবাদ মাধ্যমৰ বাৰ্তাৰ আন্তঃসম্পৰ্কৰ ভিত্তিত সমাজৰ বাবে গণমাধ্যমৰ আৰ্হি গঢ়ি তুলিব পাৰি।

তৃতীয়তে, জনসাধাৰণৰ মনোভাৱ, বিশ্বাস আৰু পক্ষপাতিত্বৰ মূল্যায়ন কৰা উচিত যাতে গণসংযোগৰ বিষয়বস্তু আৰু কৌশলে সেইবোৰক পৰ্যাপ্তভাৱে বিবেচনা কৰিব পাৰে ইয়াৰ বাবে সমাজৰ সামাজিক-মানসিক জীৱনত পদ্ধতিগত আৰু নিয়মিত গৱেষণাৰ প্ৰয়োজন। চতুৰ্থতে, নিৰ্দিষ্ট উন্নয়নমূলক প্ৰকল্পসমূহৰ বাবে উপলব্ধ গণসংযোগ সমৰ্থন সামগ্ৰী যেনে প্ৰচাৰপত্ৰ(poster), পুস্তিকা(brochure), তথ্যচিত্ৰ দৃশ্য-শ্ৰাব্য সহায়ক আদিৰ যোগাযোগ ক্ষমতা বিচাৰ কৰিব লাগিব। এইসমূহ সামগ্ৰীৰ উপস্থাপন কৰাৰ লগতে বিতৰণ ব্যৱস্থাৰ সৰ্বোচ্চ

কার্যক্ষমতাৰ বাবে মূল্যায়নো কৰিব লাগে।

৪.৪.৩ ৰাজহুৱা আলোচনাৰ কৌশল

এনে এখন পৃথিৱীৰ কল্পনা কৰা যাওক য'ত ৰাজহুৱা ক্ষেত্ৰত গণসংযোগ মানৱীয়, গঠনমূলক আৰু সকলোকে উপকৃত কৰিব পৰা ধৰণৰ। আস্থা আৰু সন্মানৰ দ্বাৰা এনে গণসংযোগ সম্ভৱ হ'ৱ বুলি বিশ্বাস কৰা হয়। আমি এনে উপায়ৰ ওপৰত গুৰুত্ব দিব লাগিব যিয়ে ইয়াক সম্ভৱ কৰি তোলে। ৰাজহুৱা আলোচনা কৌশল কার্যকৰী হোৱাৰ উপায়সমূহ ধাৰণৰ হ'ব লাগে। মানুহ আৰু বার্তাৰ মাজত সম্পর্কৰ জটিল নেটৱর্ক হিচাপে এটা পৰিস্থিতিৰ কায চাপিব পৰা।

এই কৌশলৰ দুটা মূল উদ্দেশ্য আছে। এটা হ'ল হার্ডৱেৰ আৰু চফ্‌টৱেৰ, দুয়ো প্রকাৰৰ তথ্য সংযোগৰ প্রযুক্তি আৰু ইয়াৰ বিভিন্ন প্রয়োগৰ বিকাশ সাধন। ইণ্টাৰনেট আৰু ইয়াৰ প্রয়োগৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। এইটো এটা বিশ্বব্যাপী, গণসংযোগ কৌশল আৰু এই গাঁথনিৰ ভিতৰতে ৰাষ্ট্রীয়, আঞ্চলিক আৰু স্থানীয় গাঁথনিসমূহ বিকশিত কৰা হয়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১: দুটা ইতিবাচক যোগাযোগ কৌশলৰ নাম লিখক।

.....

.....

প্রশ্ন নং ২: IECMৰ কৌশলসমূহ কিয় ব্যৱহাৰ কৰা হয়?

.....

.....

৪.৫ নেতিবাচক গণসংযোগ কৌশল

বিভিন্ন ৰূপত হিংসা আটাইতকৈ উল্লেখযোগ্য গণসংযোগ কৌশল। ই অত্যন্ত গুৰুত্বপূর্ণ কৌশল। মৌখিক আৰু অমৌখিক শক্তিৰ জৰিয়তে লক্ষ্যত উপনীত হ'ব পৰাকৈ এইবোৰ পৰিকল্পিত আৰু অপৰিকল্পিত দুয়োটা হ'ব পাৰে। আন এটা নেতিবাচক কৌশল হ'ল বিভিন্ন ৰূপত শাস্তি প্রদান। কোনো নির্দিষ্ট সময়ত ইয়াৰ ব্যৱহাৰ, উদ্দেশ্য আৰু লক্ষ্য প্রেষকৰ ওপৰত নির্ভৰ কৰি কিছুমান ইতিবাচক যোগাযোগ কৌশলো নেতিবাচক হ'ব পাৰে।

গণসংযোগৰ কৌশল হিচাপে হিংসাক ব্যাপকভাৱে ব্যৱহাৰ কৰা হয়, হিংসাক দুটা ভাগত ভাগ কৰিব পাৰি ঃ শাৰীৰিক আৰু মানসিক। ই মৃদু বা গুৰুতৰ হ'ব পাৰে। তদুপৰি সমাজ, ৰাজনৈতিক আৰু নৈতিক, হিংসা এই দুটা বহল শ্রেণীৰ ভিতৰত পৰে।

হিংসাক ব্যক্তিগত কৌশল, গোটৰ কৌশল আৰু সামাজিক কৌশল হিচাপে এই তিনিওটাৰে নীতি-নিয়মৰ বিৰুদ্ধে প্রতিবাদ হিচাপে সংঘবদ্ধ কৰা হয়। ইয়াক উলম্বিক আৰু অনুভূমিক দুয়োটা দিশতে ব্যৱহাৰ কৰা হয়। (চৰকাৰে জনসাধাৰণৰ বিৰুদ্ধে হিংসা প্রকাশ কৰে)(অবৈধতা নিৰীক্ষণ কৰিবলৈ, আৰু ভুল কামক ৰোধ কৰিবলৈ। জনসাধাৰণ ব্যক্তি আৰু চৰকাৰৰ প্রতি হিংসাত্মক। দৃষ্টি আকর্ষণ কৰিবলৈ) মত নাকচ কৰিবলৈ আৰু শ্রেষ্ঠত্ব প্রদর্শন কৰিবলৈ প্রতিবাদ, ক্ষোভ, ঘৃণা আৰু অসহায়তাৰ জৰিয়তে জনসাধাৰণ হিংসা প্রকাশ কৰে। মৌখিক হিংসা হ'ল নিন্দাত্মক ভাষাত প্রকাশ বা গালি-গালাজ কৰা, অপমান আৰু হুলস্থুল কৰা, ক্রোধিত

বিতর্ক আৰু তর্কত লিপ্ত হোৱা কার্য। হিংসামুখী ক্রিয়ায়ে হিংসাত্মক কার্যকলাপৰ সৃষ্টি কৰে।

৪.৬ সামাজিক বিপণন

উদ্ভাৱন আৰু আচৰণ পৰিৱর্তনৰ আর্হিৰ প্রসাৰণৰ চর্তক আগুৱাই নিয়াৰ অন্যতম পদ্ধতি হৈছে সামাজিক বিপণন। উন্নয়নমূলক গণসংযোগৰ ক্ষেত্রত ১৯৭০ চনৰ পৰাই সামাজিক বিপণন অন্যতম প্রভাৱশালী কৌশল হিচাপে পৰিগণিত হৈ আহিছে।

অনুশাসনমূলক সীমাবদ্ধতা সম্প্রসাৰণৰ উদ্দেশ্যৰ পৰাই সামাজিক বিপণনৰ উৎপত্তি হয়। ই আমেৰিকাৰ নির্দিষ্ট ৰাজনৈতিক আৰু শৈক্ষিক বিকাশৰ উৎপত্তি আছিল যিবোৰ পিছলৈ উন্নয়নমূলক প্রকল্পত অন্তর্ভুক্ত কৰা হৈছিল।

সামাজিক বিপণনৰ উত্থানে বিভিন্ন কাৰণৰ ভিতৰত দুটা মূল উন্নয়নৰ প্রতি সঁহাৰি জনাইছিল: ১৯৬০ চনৰ শেষৰ ফালে সৃষ্টি হোৱা ৰাজনৈতিক বাতাবৰণ যিয়ে সামাজিক বিষয়সমূহৰ প্রতি লক্ষ্য ৰাখিবলৈ বিভিন্ন শাখাক হেঁচা প্রয়োগ কৰিছিল আৰু বিপণনক এক উপযোগী আহিলা বুলি বিবেচনা কৰা অলাভজনক সংস্থাসমূহৰ উত্থান (ইলিয়ট, ১৯৯১)। সামাজিক বিপণন আছিল সামাজিকভাৱে প্রাসংগিক আৰু সামাজিকভাৱে দায়বদ্ধ হোৱাৰ প্রয়োজনীয়তাৰ প্রতি বিপণনৰ সঁহাৰি। সামাজিক বিষয়ৰ প্রতি সংবেদনশীল হোৱা আৰু সামাজিক মংগলৰ দিশত চেষ্টা কৰাটো অনুশাসন আৰু উদ্যোগ দুয়োটা দিশত বিপণনৰ প্রতিক্রিয়া আছিল। কিন্তু যিবোৰ সংস্থাৰ ব্যৱসায় সামাজিক পৰিৱর্তনৰ প্রসাৰ আছিল সেইবোৰ সংস্থাক হস্তক্ষেপৰ সঁজুলি প্রদান কৰাটোও বিপণনৰ অন্যতম উপায় আছিল।

বাণিজ্যিক বিপণন মানক কৌশলসমূহ বাস্তৱায়িত কৰি সামাজিক সমর্থক আচৰণক প্রসাৰিত কৰা কার্যই হৈছে সামাজিক বিপণন। বিপণন আৰু বিজ্ঞাপনৰ পৰা ই উন্নয়নমূলক গণসংযোগলৈ গ্রাহকৰ আচৰণ তত্ত্ব আমদানি কৰিছিল। গ্রাহকৰ প্রয়োজনীয়তা সৃষ্টি কৰা জটিলতা, সংঘাত আৰু প্রভাৱ তথা প্রয়োজনীয় কেনেকৈ পূৰণ কৰিব পাৰি সেই বিষয়ে বুজিবলৈ প্রয়োজনীয় গ্রাহকৰ আচৰণৰ বিশ্লেষণ (নভেলি ১৯৯০)ক্রুপ্রভাৱসমূহৰ ভিতৰত পৰিৱেশ, ব্যক্তিগত, আৰু তথ্য প্রক্রিয়াকৰণ আৰু সিদ্ধান্ত গ্রহণ আদি অন্তর্ভুক্ত। সামাজিক বিপণন তত্ত্বৰ মূলতে আছে বিনিময় আর্হি এই অনুসৰি ব্যক্তি, গোট আৰু সংস্থাসমূহে সামগ্রী ক্রয় কৰাৰ অনুভূত সুবিধাৰ বাবে সম্পদৰ বিনিময় কৰে। হস্তক্ষেপৰ লক্ষ্য হৈছে স্বেচ্ছামূলক বিনিময় সৃষ্টি কৰা।

উন্নয়নমূলক গণসংযোগৰ বংশলতিকাত সামাজিক বিপণন ১৯৭০ চনৰ আৰম্ভণিতে আধিপত্য বিস্তাৰ কৰা প্রসাৰণ বা অংশগ্রহণমূলক তত্ত্বৰ ফলস্বৰূপে উৎপত্তি হোৱা নাছিল। উন্নয়নমূলক গণসংযোগত সেই সময়ৰ প্রধান পদ্ধতি আধুনিকীকৰণ বা নির্ভৰশীলতা তত্ত্বৰ সৈতে কোনো সম্পর্ক নথকা এটা শাখাৰ পৰা সামাজিক বিপণন আমদানি কৰা হৈছিল। আমেৰিকাত বিজ্ঞাপন আৰু বিপণনৰ শাখাৰ পৰাই সামাজিক বিপণন গঢ় লৈ উঠিছিল। এই শাখাসমূহৰ কেন্দ্রীয় ভিত্তিটোৱেই সামাজিক বিপণন কৌশলৰ অন্তর্নিহিত বিজ্ঞাপন বিপণন অভিযানৰ লক্ষ্য হৈছে জনসাধাৰণক নির্দিষ্ট সামগ্রীৰ অস্তিত্ব, মূল্য আৰু সুবিধাৰ বিষয়ে সচেতন কৰা।

সামাজিক বিপণনৰ আচৰণ পৰিৱর্তনৰ ওপৰত বিশেষ গুৰুত্ব গণসংযোগ প্রৰোচন (তথ্যৰ সঞ্চাৰণ) কার্যৰ বিষয়ে বোধ আৰু উলম্বিক পদ্ধতিয়ে উদ্ভাৱন তত্ত্বৰ আধুনিকীকৰণ আৰু প্রসাৰণৰ সৈতে এক আত্মীয়তাৰ ইংগিত দিছিল। প্রসাৰণ তত্ত্বৰ দৰেই ই ধাৰণাগতভাৱে আচৰণ পৰিৱর্তনৰ এক ক্রমিক আর্হিৰ সমর্থন কৰিছিল য'ত ব্যক্তিসকলে জ্ঞান আহৰণৰ পৰা

আচৰণ পৰিৱৰ্তনৰ প্ৰতি মনোভাৱৰ সমন্বয়লৈ জ্ঞানগতভাৱে আগবাঢ়ি গৈছিল। কিন্তু উন্নয়নমূলক গণসংযোগৰ অধ্যয়নৰ ই স্বাভাৱিক সম্প্ৰসাৰণ নাছিল।

হস্তক্ষেপৰ ফলপ্ৰসূতা সৰ্বাধিক কৰিবলৈ বজাৰ বিভাজন আৰু গঠনমূলক গৱেষণাৰ দৰে বিপণন কৌশল ব্যৱহাৰ কৰাত মনোনিৱেশ কৰা হৈছে সামাজিক বিপণনৰ মূহ বিষয়। ১৯৭০ চনত আন্তঃৰাষ্ট্ৰীয় বিষয়ত সামাজিক ৰাজনৈতিক লক্ষ্য প্ৰচাৰৰ বাবে বাণিজ্যিক বিজ্ঞাপন আৰু বিপণনৰ কৌশলৰ ব্যৱহাৰ নতুন বিষয় নাছিল। ইতিমধ্যে আগশাৰীৰ বিজ্ঞাপন সংস্থা আৰু জনসংযোগ প্ৰতিষ্ঠানসমূহে আমেৰিকাৰ আন্তঃৰাষ্ট্ৰীয় নীতিৰ সমৰ্থন কৰিছিল, বিশেষকৈ দুখন যুদ্ধৰ সময়ত যুদ্ধৰ প্ৰচেষ্টাৰ বাবে ঘৰুৱা অনুমোদন আৰু সমৱেতকৰণ ক্ষেত্ৰত এয়া দৃশ্যমান হৈছিল। এনে কৌশল অৱশ্যে বিশ্বজুৰি সামাজিক কাৰ্যসূচী আৰু লক্ষ্য প্ৰচাৰৰ বাবে আগতে ব্যৱহাৰ কৰা হোৱা নাছিল।

সামাজিক বিপণনৰ সংজ্ঞাসমূহৰ ভিতৰত এটাত কোৱা হৈছে যে ইয়াত সামাজিক ধাৰণাসমূহৰ গ্ৰহণযোগ্যতাক প্ৰভাৱিত কৰিবলৈ গণনা কৰা কাৰ্যসূচীসমূহৰ ৰূপাংকণ, ৰূপায়ণ আৰু নিয়ন্ত্ৰণৰ লগতে পণ্য পৰিকল্পনা, মূল্য নিৰ্ধাৰণ, যোগাযোগ, বিতৰণ আৰু বিপণন গৱেষণাৰ বিবেচনা জড়িত হৈ থাকে (কোটলাৰ আৰু জাল্টমেন ১৯৭১: ৫)। অতি শেহতীয়াকৈ আন্দ্ৰেচেনে (১৯৯৪: ১১০) ইয়াক সংজ্ঞায়িত কৰিছে যে, লক্ষ্য গ্ৰাহকৰ স্বেচ্ছামূলক আচৰণক প্ৰভাৱিত কৰিবলৈ ৰূপাংকণ কৰা কাৰ্যসূচীৰ সৈতে বাণিজ্যিক বিপণন প্ৰযুক্তিৰ অভিযোজন হৈছে সামাজিক বিপণন। কিছুমানে ইয়াক সামাজিক আৰু অলাভজনক কাৰ্যসূচীত পৰিচালনা আৰু বিপণন প্ৰযুক্তিৰ প্ৰয়োগ বুলি সংজ্ঞায়িত কৰিছে (মেয়েৰ আৰু ডিয়েৰিঙ, ১৯৯৬)।

সামাজিক বিপণন ধাৰণাবোৰ বিকাশ বা মনোভাৱ ৰূপান্তৰিত কৰাত ইমান গুৰুত্ব দিয়া তকৈ আচৰণক প্ৰভাৱিত কৰাতহে গুৰুত্ব দিয়া উচিত বুলি ধৰা হয়। কিছুমান পৰিচিত সমৰ্থকৰ আচৰণৰ পৰিৱৰ্তন সামাজিক পৰিৱৰ্তনৰ মূল। এই পৰিৱৰ্তনৰ লক্ষ্যই ইয়াকে শিক্ষা বা প্ৰচাৰৰ পৰা পৃথক কৰে। বাণিজ্যিক বিপণনৰ বিপৰীতে, যিয়ে নিজৰ কাৰ্য্যৰ সামাজিক পৰিণতিৰ প্ৰতি চিন্তিত নহয়, সামাজিক বিপণন আৰ্হিটোৱে লক্ষ্য গোটত সামাজিকভাৱে উপকাৰী পদ্ধতি বা সামগ্ৰীৰ প্ৰচাৰৰ বাবে ৰূপাংকণ কৰা গণসংযোগ অভিযানক সামৰি লয়।

ফ' (এন.ডি.)ৰ মতে, 'সামাজিক বিপণন পদ্ধতিৰ তেওঁলোকৰ পৃষ্ঠপোষকৰ উদ্দেশ্য, তেওঁলোকৰ আবেদনৰ ফলপ্ৰসূতা আৰু শেষত তেওঁলোকৰ ফলাফলৰ বৈধতাক লৈ সমস্যাৰ সৃষ্টি হৈছিল । তৃতীয় বিশ্বত স্তনপানৰ ঠাইত বা পৰিপূৰক হিচাপে গুড়ি কৰা গাখীৰৰ সামাজিক বিপণনে এই সমস্যাসমূহৰ উদাহৰণ দাঙি ধৰে। ১৯৬০ চনত শিশু খাদ্য বিক্ৰী কৰা বহুজাতিক প্ৰতিষ্ঠানসমহৰ কাৰ্যক্ষেত্ৰ এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ অব্যৱহৃত বজাৰ বোৰলৈ স্থানান্তৰিত হয়। পৰম্পৰাগত স্তনপানক কৃত্ৰিম সামগ্ৰীলৈ সলনি কৰা সফল প্ৰচাৰ অভিযানত পুস্তিকা, গণমাধ্যম, লাউডস্পীকাৰ ভেন (loudspeaker vans), আৰু চিকিৎসা বৃত্তিৰ জৰিয়তে বিতৰণ ব্যৱস্থাৰ ব্যৱহাৰ কৰা হৈছিল। দুখীয়া লোকে অৱশ্যে এনে সামগ্ৰী ক্ৰয় কৰিব নোৱাৰিলে আৰু বহু মাতৃয়ে শিশু খাদ্য বেছি দিন টিকিবলৈ বেছি পনীয়া কৰি দিলে বা পানী বা বটলটো সঠিকভাৱে বীজাণুমুক্ত কৰি ৰাখিব নোৱাৰিলে। মাতৃদুগ্ধৰ বিকল্পৰ প্ৰচাৰৰ ফলত প্ৰায়ে স্তনপানৰ অপক্ষৰণ হৈছিল আৰু ডায়েৰিয়া ৰাগ তথা পুষ্টিহীনতা বৃদ্ধি পাইছিল, যিয়ে তৃতীয় বিশ্বত শিশুৰ মৃত্যুৰ হাৰ অধিক হোৱাত অৰিহণা যোগাইছিল।'



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ঃ সামাজিক বিপণনৰ উৎপত্তিৰ ফলত হোৱা প্রধান উন্নয়ন দুটাৰ নাম লিখাযলিখক।

.....

প্রশ্ন নং ৪ঃ সামাজিক বিপণনৰ সংজ্ঞা দিয়ায দিয়ক।

.....

প্রশ্ন নং ৫ঃ খালী ঠাই পূৰণ কৰক।

ক. হিংসাক———আৰু———হিচাপে শ্রেণীভুক্ত কৰিব পাৰি।

খ. ———ৰ পিছৰে পৰা উন্নয়নমূলক গণসংযোগৰ ক্ষেত্রত সামাজিক বিপণন অন্যতম প্রভাৱশালী কৌশল।

গ. বিপণন আৰু বিজ্ঞাপনৰ পৰা সামাজিক বিপণনে উন্নয়নমূলক গণসংযোগৰলৈ ———ৰ তত্ত্ব আমদানি কৰিছিল



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইতিবাচক আৰু ফলপ্রসূ গণসংযোগ হৈছে সফল জীৱনৰ এক মাপকাঠি।
- আই ই চি এম কৌশলসমূহ সাম্প্রতিক আৰু ঐতিহাসিক বিভিন্ন বিষয়ৰ বিষয়ে আৰু সজাগতা, তথ্য, জ্ঞান আৰু প্রেৰণা সৃষ্টি কৰিবলৈ ব্যৱহাৰ কৰা হয়।
- আইইচিএম কৌশলসমূহ উলম্বভাৱে ঃ ওপৰৰ পৰা তললৈ, আৰু অনুভূমিকভাৱে দুয়োটা গণসংযোগৰ বাবে ব্যৱহাৰ কৰিব পাৰি।
- উন্নয়নৰ বিষয়ে জ্ঞান সৃষ্টি কৰা আৰু ইয়াক স্থানীয়, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় তিনিটা স্তৰত প্রসাৰ কৰা কৌশল গুৰুত্বপূর্ণ।
- গণসংযোগ কৌশল অভিজ্ঞতাৰ ক্ষেত্র আৰু কেন্দ্রীভূত কার্য্যকলাপৰ ক্ষেত্রসমূহৰ তাত্ত্বিক বিশ্লেষণৰ উন্নয়নমূলক গণসংযোগৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হয়।
- উন্নয়নমূলক গণসংযোগৰ বাবে এটা সুনির্দিষ্ট গণমাধ্যম আৰু আন্তঃব্যক্তিগত দৃষ্টিভংগীৰ আন্তঃগাঁথনি প্রয়োজনীয়।
- পৰিকল্পিত উন্নয়নমূলক গণসংযোগ কৌশল হৈছে নতুন ধাৰণা স্থানান্তৰৰ জৰিয়তে মানৰ মনোভাৱ আৰু আচৰণ সলনি কৰাৰ বাবে এক গণসংযোগ পৰিকল্পনা, ই ফলপ্রসূ যোগাযোগৰ বাবে কার্যৰ বাবে এক পদ্ধতিগত গাঁথনিযসাঁচ (framework)।
- আটাইতকৈ উল্লেখযোগ্য গণসংযোগ কৌশলসমূহ হঅল বিভিন্ন ৰূপত হিংসা। ই অন্যতম গুৰুত্বপূর্ণ কৌশল। মৌখিক আৰু অমৌখিক শক্তিৰ জৰিয়তে ইয়াৰ লক্ষ্যত উপনীত হঅবলৈ এইবোৰ পৰিকল্পিত আৰু অপৰিকল্পিত দুয়োটা হ'ব পাৰে।
- সামাজিক বিপণন হৈছে উদ্ভাৱন আৰু আচৰণ পৰিৱর্তনৰ আর্হিৰ প্রসাৰণৰ চর্তক আগুৱাই নিয়া অন্যতম পদ্ধতি।

- সামাজিক বিপণন এনে এটা শাখাৰ পৰা আমদানি কৰা হৈছিল যিটোৰ তেতিয়ালৈকে উন্নয়নমূলক গণসংযোগত সেই সময়ৰ প্ৰধান পদ্ধতি আধুনিকীকৰণ বা নির্ভৰশীলতা তত্ত্ব সৈতে কোনো সম্পর্ক নাছিল।
- আমেৰিকাত বিজ্ঞাপন আৰু বিপণনৰ শাখাৰ পৰাই সামাজিক বিপণন গঢ় লৈ উঠিছিল।



৪.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নোত্তৰঃ শিক্ষা আৰু যোগাযোগ

২ নং প্রশ্নোত্তৰঃ আই ই চি এম(IECM) কৌশলসমূহ সজাগতা, তথ্য, জ্ঞান আৰু প্রেৰণা সৃষ্টি কৰিবলৈ আৰু সাম্প্রতিক আৰু ঐতিহাসিক বিভিন্ন বিষয়ৰ বিষয়ে ব্যৱহাৰ কৰা হয়।

৩ নং প্রশ্নোত্তৰঃ সামাজিক বিপণনৰ উৎপত্তিৰ ফলত হোৱা মূল উন্নয়ন দুটা হ'ল; (ক) ১৯৬০ চনৰ শেষৰ ফালে বিভিন্ন শাখাক সামাজিক বিষয়ৰ প্রতি লক্ষ্য ৰাখিবলৈ হেঁচা প্রয়োগ কৰা ৰাজনৈতিক বাতাবৰণ আৰু (খ) বিপণনক এক উপযোগী আহিলা বুলি বিবেচনা কৰা অলাভজনক সংস্থাৰ উত্থান।

৪ নং প্রশ্নোত্তৰঃ সামাজিক বিপণন হৈছে সামাজিক ধাৰণাসমূহৰ গ্রহণযোগ্যতাক প্রভাৱিত কৰিবলৈ গণনা কৰা কার্যসূচীসমূহৰ ৰূপাংকণ, ৰূপায়ণ আৰু নিয়ন্ত্রণ আৰু ইয়াৰ লগত পণ্য পৰিকল্পনা, মূল্য নির্ধাৰণ, যোগাযোগ, বিতৰণ, আৰু বিপণন গৱেষণাৰ বিবেচনা জড়িত হৈ থাকে।

৫ নং প্রশ্নোত্তৰঃ খালী ঠাই পূৰণ কৰাযকৰক:

ক. শাৰীৰিক আৰু মানসিক।

খ. ১৯৭০ৰ দশক

গ. গ্রাহকৰ আচৰণ



৪.৯ অধিক জানিবলৈ

1. International and Development Communication by Bella Mody, Sage
2. Development Communication Sourcebook: Broadening the Boundaries of Communication by Paolo Mefalopulos, World Bank.



৪.১০ আৰ্হি প্ৰশ্ন

ক. অতি চুটি প্ৰশ্ন (৫০ শব্দৰে ভতিৰত উত্তৰ দিয়ক)

১) আই ই চি এম কৌশল কিয় ব্যৱহাৰ কৰা হয়?

২) উন্নয়নমূলক গণসংযোগৰ কৌশলসমূহে কিহৰ ওপৰত গুৰুত্ব আৰোপ কৰে?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়াযদিয়ক)

১) চমু টোকা লিখায লিখক:

ক) প্ৰধান পেৰাডাইম

খ) বিকল্প পেৰাডাইম

গ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়াযদিয়ক))

১) নেতিবাচক গণসংযোগ কৌশলৰ বিষয়ে আলোচনা কৰক।

২) উন্নয়নমূলক গণসংযোগ কি? আলোচনা কৰক।

৩) সামাজিক বিপণন আছিল সামাজিকভাৱে প্ৰাসংগিকঅঅ আৰু সামাজিকভাৱে দায়বদ্ধ হোৱাৰ প্ৰয়োজনীয়তাৰ প্ৰতি বিপণনৰ সঁহাৰি-নিজৰ শব্দত আলোচনা কৰক।

*** ***** ***